8c (৪

# "চকাযুক্ত আমাৰ দোকান" খুলিবৰ বাবে জাননী

অসম চৰকাৰে সৰ্বসাধাৰণ ৰাইজৰ সুবিধাৰ্থে অত্যাৱশ্যকীয় সামগ্ৰীৰ উপৰিও মুকলি বজাৰৰ নিৰ্বাচিত অন্যান্য পেকেটযুক্ত সামগ্ৰী ছপাকৃত সৰ্বাধিক বিক্ৰী মূল্য (MRP) তকৈ কম মূল্যত "চকাযুক্ত আমাৰ দোকান" জৰিয়তে বিতৰণ কৰাৰ ব্যৱস্হা কৰিছে। গোৱালপাৰা জিলাত মূঠ ৬ খন এনে "চকাযুক্ত আমাৰ দোকান" খুলি স্বনিয়োজিত হ'বৰ বাবে উপযুক্ত প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। উল্লেখ্য যে চৰকাৰে নিৰ্বাচিত হিতাধিকাৰীসকলক "চকাযুক্ত আমাৰ দোকান" খুলিবৰ বাবে ৫০,০০০/- টকাকৈ এককালীন অৰ্থ সাহায্য আগবঢ়াব। "চকাযুক্ত আমাৰ দোকান"ত তলৰ নিৰ্বাচিত সামগ্ৰীসমূহ বিক্ৰী কৰিব পাৰিব:

১)সাধাৰণ চাউল,২)বাচমতি/প্ৰিমিয়াম চাউল,৩)চেনী,৪)গুৰ,৫)মচুৰ দাইল (ডাঙৰ) ৬)মগু দাইল,৭)ৰহৰ দাইল,৮)বুট দাইল,৯)বুট,১০) গোটা মুগু,১১) মিঠাতেল, ১২) ৰিফাইন তেল,১৩) চয়া তেল, ১৪) বনস্পতি ঘিউ,১৫) আয়ডিনযুক্ত নিমখৰ পেকেত (টাটা/নিৰমা/কেপ্টেইন কুক আদি) ১৬) ৰাজহুৱা বিতৰণৰ নিমখ,১৭) পেকেটযুক্ত আটা,১৮) পেকেটযুক্ত ময়দা, ১৯) পেকেটযুক্ত চুজি, ২০) বিস্কুত,২১) পেকেটযুক্ত চাহপাত, ২২) পেকেটযুক্ত বাটাৰ, ২৩) ঠুথপেষ্ট, ২৪) গাধোৱা-কাপোৰ ধোৱা চাবোন,২৫) মা-মচলা. ২৬) আলু, ২৭) পিঁয়াজ। এই সামগ্ৰীসমূহৰ উপৰিও গ্ৰাহকসকলৰ দৈনন্দিন ব্যৱহৃত সামগ্ৰী সমূহো নূন্যতম লাভ ৰাখি বজাৰ মূল্যতকৈ কম মূল্যত বিতৰণ কৰিব পাৰিব।

## চৰ্তাৱলীসমূহ:

১) আবেদনকাৰী ভাৰতীয় নাগৰিক তথা অসমত স্হায়ীভাবে বসবাস কৰা হব লাগিব ।

২) শিক্ষাগত অৰ্হতা-নুন্যতম হাইস্কুল শিক্ষান্ত বা সমপযাযৰ পৰীক্ষাত উত্তীৰ্ন হব লাগিব ।

৩) বয়স ১৮ বছৰ বা উদ্বৰ হব লাগিব ।

৪) নিয়োগ বিনিময় কেন্দ্ৰত প্ৰাৰ্থী পঞ্জীয়ন থাকিব লাগিব ।

৫) আবেদনকাৰীজনৰ নিজৰ ই-ৰিস্কা থাকিব লাগিব আৰু অসম ই-ৰিস্কা নিয়ম-২০১৭ৰ অধিনত অনুজ্ঞাপত্ৰধাৰী হব লাগিব আৰু পৰিবহন কাৰ্য্যালয়ৰ পৰা চালকৰ অনুজ্ঞাপত্ৰ লোৱা হ'ব লাগিব।

৬) নিৰ্বাচিত হিতাধিকাৰীৰ ই-ৰিস্কাখন বীমাকৃত হ'ব লাগিব।

৭) আবেদনকাৰীয়ে দৈনন্দিন খৰচসমূহ নিজে কৰিব পৰাৰ সক্ষমতা প্ৰতিপন্ন কৰাকৈ আয়ৰ প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

৮) পূৰ্বতে এনে কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

## কেনেকৈ আবেদন কৰিব:

ইচ্ছুক আগ্ৰহী প্ৰাৰ্থীয়ে নিজৰ বায়'ডাটা স্বপ্ৰত্যায়িত শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ, নিয়োগ বিনিময় কেন্দ্ৰৰ পঞ্জীয়ন পত্ৰ, ব.সৰ প্ৰমাণপত্ৰ,পাছপ'ৰ্ট আকাৰৰ শেহতীয়া দুকপি ফটোৰ সৈতে নিজৰ ই-মেইল, মোবাইল নম্বৰ আদি উল্লেখ কৰি অহা ৪ ডিচেম্বৰ,২০১৭ ভিতৰত তলৰ ঠিকনাত পোৱাকৈ আবেদন কৰিব পাৰিব। যোগ্য প্ৰাৰ্থীয়ে বাছনি ব'ৰ্ডৰ মৌখিক সাক্ষাতকাৰত অৱতীৰ্ণ হ'ব লাগিব। সাক্ষাতকাৰৰ দিন আৰু সময়ৰ বিষয়ে উপায়ুক্ত কাৰ্যালয়ৰ জাননী ফলক ৱেবছাইটযোদে ৬ ডিচেম্বৰ,২০১৭ তাৰিখৰ পাছত জনোৱা হ'ব। সবিশেষ জানিবলৈ প্ৰাৰ্থীসকলে **http://goalpara.nic.in** ৱেবছাইট চাব পাৰিব। আবেদন প্ৰেৰণৰ ঠিকনা-খাদ্য,অসামৰিক যোগান আৰু গ্ৰাহক পৰিত্ৰমা বিভাগ,জিলা উপায়ুক্তৰ কাৰ্যালয় গোৱালপাৰা।

জিলা উপায়ুক্তৰ
গোৱালপাৰা